# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-10-2025
**Time :** 21-25  Hrs

### ASSAMESE NIGHT BULLETIN
:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসমৰ কৃষিজীৱি ৰাইজে আজি পৰম্পৰাগত ৰীতি নীতিৰে  কাতি বিহু পালন কৰি শস্যৰ শ্ৰীবৃদ্ধি কামনা কৰে। এই উপলক্ষে চোতালত তুলসী ৰুই তুলসীৰ তলত বন্তি জ্বলোৱাৰ লগতে পথাৰত বন্তি জ্বলাই বছৰটোৰ বাবে শইচ নদন বদন হোৱাৰ কামনা কৰা হৈছে। ঠায়ে ঠায়ে আকাশবন্তিও জ্বলোৱা হৈছে।

কৃষি বিভাগৰ উদ্যোগত ৰাজ্যৰ প্ৰতিটো কৃষি মহকুমাত কাতি বিহু উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। আজি বিভাগৰ উদ্যোগত প্ৰগতিশীল কৃষকক সম্বৰ্ধনা, আকাশবন্তি প্ৰজ্বলন, সজাগতা সভা তথা বিভাগীয় আঁচনি সন্দৰ্ভত আলোচনা আৰু কৃষি সামগ্ৰী, কৃষি সঁজুলি আদিও বিতৰণ কৰা হয়।

শিৱসাগৰবাসী ৰাইজে আজি পৰম্পৰাগত ৰীতিৰে কাতি বিহু পালন কৰে। এই উপলক্ষে তুলসী তলত বন্তি জ্বলাই খেতিডৰা নদন বদন হোৱাৰ বাবে প্ৰাৰ্থনা জনায়। তদুপৰি আকাশবন্তি প্ৰজলন কৰি  বছৰৰ কষ্টৰ ফচল পোক পতংগৰ পৰা বচাই ৰখাৰ বাবে কামনা কৰে। তদুপৰি ৰাজ্য চৰকাৰৰ নিৰ্দেশ মৰ্মে জিলা কৃষি বিভাগৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত নিতাইপুখুৰী লাওখোৱা নামঘৰ প্ৰাঙ্গনত ৰাজহুৱাভাৱে কাতি বিহু পালন কৰা হয়। তামুলপুৰ জিলাত নতুন হাউলীতো আজি কাতি বিহু পালন কৰা হয়। ওদালগুৰি জিলাৰ কৃষক ৰাইজৰ লগতে সকলো লোকে হেপাহৰ কাতি বিহু পৰম্পৰা বৰ্তাই ৰাখি পালন কৰে। গহপুৰ সমজিলাৰ চাৰেংগীয়াত ৰাইজে শস্য সম্ভৰা পথাৰৰ কামনাৰে কাতি বিহু পালন কৰে। চাৰেংগীয়া মহকুমা কৃষি বিভাগে আয়োজন কৰা অনুষ্ঠানত অংশ লৈ গহপুৰৰ বিধায়ক উৎপল বৰাই এইদৰে কয়।

**বাইট**

শোণিতপুৰ জিলা কৃষি বিভাগৰ উদ্যোগত আৰু হোলেশ্বৰৰ বৰপুখুৰীবাসীৰ সহযোগত আজি পৰম্পৰাগত কাতি বিহু আৰু মাহজাতীয় শস্যৰ সজাগতা অনুষ্ঠানৰ আয়োজন কৰে।

কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত আজি ৰাইজে তুলসী তলত বন্তি জ্বলাই কাতি বিহু পালন কৰে। তদুপৰি পুৰুষ মহিলাসকলে নাম প্ৰসংগতো অংশ লয়। জিলাখনৰ বকোত কৃষি বিভাগৰ উদ্যোগত পৰম্পৰাগতভাৱে বিহু পালন কৰা হয়।

০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনৰ অহা ৭ আৰু ৮ নৱেম্বৰত অসম ভ্ৰমণৰ প্ৰস্তুতি পৰ্যালোচনাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিশপুৰত এখন প্ৰস্তুতিমূলক বৈঠকত মিলিত হয়। এই বৈঠকত মুখ্যমন্ত্ৰীয়ে

মন্ত্ৰীগৰাকীৰ ভ্ৰমণ কাৰ্যসূচী নিয়াৰিকৈ সম্পন্ন হোৱাৰ বাবে সকলো দিশ আগতীয়াকৈ চোৱাচিতা কৰিবলৈ সংশ্লিষ্টসকলক নিৰ্দেশ দিয়ে।

০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে আজি ডাঃ হিতেশ বৰুৱাৰ ভাষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গক চিকিৎসা স্বাস্থ্য সম্বন্ধীয় কেনে উপদেশ দিয়া হৈছিল নাইবা কি ধৰণৰ ঔষধ প্ৰদান কৰা হৈছিল, এনে সকলো তথ্য ডাঃ বৰুৱাৰ পৰা বিশেষ তদন্তকাৰী গোটে গ্ৰহণ কৰে। ভাষ্য গ্ৰহণৰ পাছত সংবাদ মাধ্যমৰ আগত ডাঃ বৰুৱাই কয়, যে জুবিন গাৰ্গক জুই আৰু পানীৰ পৰা সদায় আঁতৰি থাকিবলৈ চিকিৎসকৰ দলে পৰামৰ্শ দিছিল। জুবিন গাৰ্গৰ পৰিয়ালৰ লগতে তেওঁৰ মেনেজাৰ আৰু বন্ধুবৰ্গকো সমগ্ৰ বিষয়টো চিকিৎসকৰ দলে বুজাই দিছিল বুলি তেওঁ কয়।

ইপিনে জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ কাইলৈ এমাহ সম্পূৰ্ণ হ'ব। এই উপলক্ষে ডিমৰীয়াবাসী ৰাইজে জুবিন গাৰ্গৰ সোণাপুৰৰ কমাৰকুছিৰ সমাধিস্থলীত কাইলৈ গীতা পাঠ, সংকীৰ্তন, সৰ্বধৰ্ম প্ৰাৰ্থনা, এশগৰাকী নামতী দলৰ নাম-প্ৰসংগ, এশগৰাকী বাঁহীবাদকৰ দ্বাৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ লগতে নিশালৈ ভাওনা পৰিবেশন কৰা হ'ব। সমাধিস্থলীত হ'বলগীয়া এই অনুষ্ঠানত গৰিমা গাৰ্গসহ শিল্পীগৰাকীৰ অন্যান্য আত্মীয়-স্বজনেও ভাগ ল'ব। শিল্পীগৰাকীৰ বিয়োগৰ এমাহ উপলক্ষে আজি বজালী জিলাৰ পাঠশালাতো ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰা হয়। উপস্থিত জনতাই শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱাৰ লগতে তেওঁৰ ৰহস্যজনক মৃত্যুৰ ন্যায় কামনা কৰে।

০০০০০

অসমত যাত্ৰীৰ চাহিদা অনুসৰি দীৰ্ঘ দূৰত্বৰ আৰু হ্ৰস্ব দূৰত্বৰ যাত্ৰীবাহী ৰে'লৰ চলাচল কম আৰু সেয়েহে চৰকাৰে এই ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা উচিত। অসমত ৰে'ল সেৱা বিশেষকৈ যাত্ৰীবাহী ৰে'ল সেৱাক অধিক জনমুখী কৰা সন্দৰ্ভত আজি আকাশবাণী গুৱাহাটীৰ দৃষ্টিপাত অনুষ্ঠানত অসম ৰে'লযাত্ৰী সংস্থাৰ সাধাৰণ সম্পাদক দীপংকৰ শৰ্মাই এই বিষয়ে প্ৰকাশ কৰে। অনুষ্ঠানত সাংবাদিক ত্ৰিদীপ লহকৰে ৰে'ল আৰু প্লেটফৰ্মৰ লগতে শৌচাগাৰ প্ৰস্বাৱগাৰসমূহ চাফ-চিকুণ কৰি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ প্ৰাক্তন মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া ছিতু সিং হাজঙে কয় যে বিগত ১০ - ১৫ বছৰত অসমত চলাচল কৰা ৰেলৰ সংখ্যা বৃদ্ধি পোৱাৰ লগতে ৰেলপথৰ দ্বৈতকৰণ আৰু বৈদ্যুতিকীকৰণকে ধৰি উন্নয়নমূলক কামসমূহ দ্ৰুত গতিত সম্পন্ন হৈছে। এই আলোচনাৰ আঁত ধৰে আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**